**গুৱাহাটী, ৭ ফেব্ৰুৱাৰি, ২০১৮** : ১৯৯৪ চনৰ ১ জানুৱাৰিত স্থাপন হোৱা অসম জাতীয় বিদ্যালয়ে ২০১৮ চনৰ ১ জানুৱাৰিত ২৫ বছৰত প্ৰৱেশ কৰিছে। ২০১৮ বৰ্ষটি অসম জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তী বৰ্ষ হিচাপে পালন কৰিবলৈ অসমৰ বিভিন্ন জিলাত ইতিমধ্যে জিলা সমন্বয়ৰক্ষী সমিতি গঠিত হৈছে। অহা ১১-০২-২০১৮ তাৰিখ দেওবাৰে দিনৰ ১১ বজাত অসম জাতীয় বিদ্যালয়, নুনমাটি চৌহদত জিলা সমন্বয়ৰক্ষী সমিতিসমূহৰ প্ৰতিনিধিৰ সৈতে এখন সভা অনুষ্ঠিত হ'ব। এই সভাত প্ৰতিখন জিলাৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰতিনিধি দুগৰাকী উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

যি সমূহ জাতীয় বিদ্যালয়ে এতিয়াও কোনো জিলা সমন্বয়ৰক্ষী সমিতিৰ অন্তৰ্ভুক্ত হোৱা নাই সেই সমূহ বিদ্যালয়ক নিজৰ নিজৰ জিলাৰ সমন্বয়ৰক্ষী সমিতিৰ অন্তৰ্ভুক্ত হ'বলৈ আহ্বান জনোৱা হ'ল আৰু উক্ত সমিতিৰ জৰিয়তে সভাত উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭